# শুৱালকুছিৰ ৰেছম উদ্যোগ

## কেঁচা সামগ্ৰীৰ মূল্যবৃদ্ধি আৰু শিল্পৰ সংকট

নিহাৰ ৰঞ্জন কলিতা
অধ্যাপক, অৰ্থনীতি বিভাগ

যিকোনো ধৰণৰ উদ্যোগ এটা কোনো এক ভৌগলিক অঞ্চলত গঢ় লৈ উঠাত, সেই উদ্যোগটোত ব্যৱহৃত উপাদানবোৰ, সেই অঞ্চলত বা তাৰ আশে-পাশে সহজলভ্য হোৱাটো অতীব প্ৰয়োজনীয়। অৰ্থনীতিৰ ভাষাত এয়া উদ্যোগৰ স্থানীয়কৰণ (Specialisation)হোৱাৰ প্ৰথম চৰ্ত। অৱশ্যে উদ্যোগৰ বাবে প্ৰয়োজনীয় সকলোবোৰ উপাদান একে মাত্ৰাতে অঞ্চলটোত থাকিব লাগিব বুলি কোনো কথা নাই। যদি কেতিয়াবা কোনো এটা উদ্যোগ শ্ৰম উপাদানৰ অপৰ্যাপ্ত যোগানৰ বাবে গঢ় লৈ উঠিছে, কোনোবাটো আকৌ কৰবাত মূলধনৰ সুবিধাৰ বাবে গঢ় লৈ উঠিছে। (কথাষাৰ বৰ্তমান বহুৰাষ্ট্ৰীয় বৃহৎ বৃহৎ উদ্যোগৰ ক্ষেত্ৰত প্ৰয়োজ্য নহ'বও পাৰে, কিন্তু থলুৱা-কুটীৰ উদ্যোগৰ ক্ষেত্ৰত ই এশ শতাংশই সত্য)। অসমৰ বেছি ভাগ থলুৱা শিল্পই শ্ৰম অথবা কেঁচা মূলধনৰ সুবিধাৰ বাবে কোনো এক অঞ্চলত বিশেষ ভাৱে গঢ় লৈ উঠিছে। শুৱালকুছিৰ বস্ত্ৰ উদ্যোগো ইয়াৰ ব্যতিক্ৰম নহয়। এই উদ্যোগ সম্পূৰ্ণ শ্ৰমজনিত (Labour Intensive) পৰম্পৰাগতভাৱে শুৱালকুছি বাসী কাপোৰ উৎপাদনৰ সৰু-বৰ কামত হাড়ে হিমজুৱে জড়িত। অসমৰ অন্যান্য ঠাইত কাপোৰ বোঁৱা কামত কেৱল মহিলা সকল জড়িত হোৱাৰ বিপৰীতে শুৱালকুছি বস্ত্ৰ শিল্পৰ নানানটা কামত পুৰুষ মহিলা উভয়ে সহযোগ কৰাটো এক তাৎপৰ্যপূৰ্ণ কথা। এই শ্ৰম উপাদানৰ বিশেষীকৰণৰ বাবেই ঘাইকৈ শুৱালকুছিত বস্ত্ৰ উদ্যোগ, কুটীৰ শিল্প হিচাপে গজালি মেলে। প্ৰণিধানযোগ্য যে এই শিল্পৰ প্ৰয়োজনীয় প্ৰায় ভাগ সামগ্ৰীয়েই (পূৰ্বৰ মুগা সূতাৰ বাহিৰে) গাওঁখনৰ বাহিৰৰ পৰা অহা। তাঁতশাল এখনত সূতাৰ বাহিৰেও অন্যান্য বহুত সামগ্ৰীৰ প্ৰয়োজন হয়। এই সামগ্ৰীবোৰৰ কেইপদ মানৰ বাহিৰে সকলোবোৰ গাওঁখনলৈ অন্যান্য ঠাইৰ পৰা আমদানি কৰা হয়। অসমৰ অন্য থলুৱা শিল্প আৰু শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ মাজত তফাৎ এইখিনিয়ে। কেৱল মাত্ৰ শ্ৰমৰ উপৰতে ভিত্তি কৰি শিল্প এটাৰ স্থানীয়কৰণ হোৱাটো সাধাৰণতে বিৰল। প্ৰায়ভাগ কুটীৰ শিল্পৰ ক্ষেত্ৰত কেঁচা মূলধনৰ সুলভতাহে মূল কথা। অৱশ্যে কেঁচামালৰ লগতে লাগতিয়াল শ্ৰম দক্ষতাও থকা বাঞ্চনীয়। কিন্তু যি কুটীৰ উদ্যোগ কেৱল মাত্ৰ "শ্ৰম" ৰ বাবেহে বিশেষ ভাৱে এটা অঞ্চলত গঢ় লৈ উঠিছে, সেই উদ্যোগৰ ভৱিষ্যত নিৰ্ভৰ কৰে শ্ৰমৰ যোগান আৰু দক্ষতাৰ ওপৰত। বৰ্তমানৰ উদাৰীকৰণৰ গইনা লৈ আৰম্ভ হোৱা তীব্ৰ প্ৰত্যাহ্বানমূলক মুক্ত অৰ্থনীতি শ্ৰমৰ দ্বাৰা স্থানীয়কৰণ হোৱা যিকোনো উদ্যোগ "তিষ্ঠি" থকাৰ সমস্যা বহুত। কিয়নো যিহেতু এনে উদ্যোগত ব্যৱহাৰ কৰা কেচামাল সমূহ বাহিৰৰ পৰা অনা হয়, সেয়ে এই মালবোৰৰ যোগানমূল্যত স্থানীয় বিক্ৰেতাৰ হাত নাথাকে। আনহাতে শ্ৰমৰ যোগান ধৰিব পাৰিলেই এনে উদ্যোগ সহজতে অন্য অঞ্চলত গঢ় লৈ উঠাৰ সম্ভাৱনা থাকে। সেয়েহে এনে উদ্যোগৰ স্থানীয়কৰণ বিঘ্নিত হোৱাৰ আশংকা অধিক।

তালিকা নং ১ ঃ শুৱালকুছিৰ বস্ত্ৰ উদ্যোগৰ কেঁচা মালৰ উৎস

| ক্ৰমিক নং | কেঁচা মাল | কৰ পৰা অনা হয় |
|---|---|---|
| ১ | পাট সুতা (দীঘ-বাণী) | কৰ্ণাটক, চীন |
| ২ | গুণা | গুজৰাট |
| ৩ | বনক সুতা | তামিল নাড়ু |
| ৪ | হাৰ্নিছ/শীৰষ | পশ্চিমবংগ |
| ৫ | টৰ্চৰ সুতা | পশ্চিমবংগ, বিহাৰ |
| ৬ | ববীন, মহুৱা, ৰাহ, মাকো | পঞ্জাৱ |
| ৭ | ডুবি মেছিন, কাৰ্ড | উত্তৰ প্ৰদেশ |
| ৮ | উঘা, নটা, নৰজ ইত্যাদি | অসমৰ অন্য ঠাই। |

ৰেছম শিল্প শুৱালকুছিৰ অৰ্থনীতিৰ হৃদপিণ্ড। কুৰি শতিকাৰ মধ্যভাগৰ পৰা ক্ৰমান্বয়ে গাওঁখনৰ সমূহ পৰিয়ালক সামৰি লোৱা এই কুটীৰ উদ্যোগে প্ৰত্যক্ষ ভাৱে শুৱালকুছিৰ পায় পচাঁনব্বৈ শতাংশ লোকৰ জীৱিকা নিৰ্বাহক হিচাপে আছে। পাট-মুগা কাপোৰ উৎপাদনৰ প্ৰাৰম্ভিক কামৰ পৰা বিক্ৰীলৈ শ্ৰমিকৰ এক বিশেষ ভূমিকা আছে। যোৱা শতিকাৰ আশী দশকলৈ শুৱালকুছিৰ পুৰুষ-মহিলা, ডেকা-বুঢ়া নিৰ্বিশেষে বস্ত্ৰ উৎপাদনৰ বিভিন্ন কামত জড়িত আছিল। কেৱল মুগা সূতাৰ বাহিৰে অনান্য সকলো সামগ্ৰী উদ্যোগটোলৈ বাহিৰৰ পৰা আমদানি হোৱাৰ কথা তালিকা নং-১ত প্ৰকাশ কৰা হৈছে। কেৱল মুগা সূতাৰ ক্ষেত্ৰত শুৱালকুছিৰ এক বিশেষ নাম আছে। প্ৰথম অৱস্থাত (১৯৮০ চন মানলৈ) উজনি অসম, দক্ষিণ

কামৰূপৰ পৰা অহা মুগা লেটাৰ পৰা শুৱালকুছিতে থলুৱা ভাৱে সূতা প্ৰস্তুত কৰা হৈছিল। এই কামত প্ৰথম ভাগত পুৰুষ সকলৰ কায়িক শ্ৰম অতীব প্ৰয়োজনীয়। মুগা লেটাৰ ভিতৰত থকা পলু জুইৰ তাপত দি সেঁকা (থলুৱা ভাষাত মুগা মাৰা), সেইবোৰ মুকলি অঞ্চলত মেলি দি দুই-তিনিদিনলৈ ৰাখি, সাচি থৈ তাৰ পৰা প্ৰয়োজন অনুসাৰে সূতা আহৰণ কৰা আদি বিভিন্ন পৰ্যায়ত পুৰুষ-মহিলাই শ্ৰমদান কৰাটো, মুগাৰ বস্ত্ৰ উৎপাদন কৰাৰ বাবে এক লাগতিয়াল কাম, এই কামবোৰ পৰিয়াল ভিত্তিক আছিল বাবে, যথেষ্ট শ্ৰমদানৰ পাছতো, অতি কম মূল্যতে মুগা সূতা লাভ কৰিব পাৰিছিল। কিন্তু বিভিন্ন কাৰবাৰ বাবে গাওঁখনত মুগা সূতা উৎপাদন অধ্যায়ৰ সামৰনি পৰিল। বিকল্প হিচাপে শুৱালকুছিৰ বস্ত্ৰ উৎপাদনকাৰীয়ে ভাগলপুৰ, কলিকতাৰ পৰা অহা টচৰ সূতা ব্যৱহাৰ কৰিবলৈ ল'লে। অৰ্থাৎ মুগাসূতাৰ বিকল্প হিচাপে টচৰ সূতা ব্যৱহাৰৰ লগে লগে শিল্পটোৰ সকলো কেঁচামালৰ ক্ষেত্ৰতে গাওঁখন পৰমুখাপেক্ষী হৈ পৰিল।

স্বাজোত্তৰ কালত অৰ্থনীতিৰ সবলীকৰণৰ বাবে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোগেদি থলুৱা আৰু কুটীৰ শিল্পক আত্মপ্ৰকাশৰ যথেষ্ট সুবিধা প্ৰদান কৰা হয়। ১৯৭০ চনৰ পৰা দেশত ক্ৰমান্বয়ে বৃদ্ধি পোৱা নিবনুৱা সমস্যা সমাধানৰ বাবে শিক্ষিত ডেকাচামক আত্মসংস্থাপনৰ বাবে চৰকাৰে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহন কৰে। ফলস্বৰূপে ৰাজহুৱা খণ্ডৰ বাণিজ্যিক বেংকবোৰেও গাৱঁৰ ইচ্ছুক নিবনুৱা যুৱক-যুৱতীলৈ আত্মসংস্থাপনৰ উদ্দেশ্যে বিভিন্ন আঁচনিৰ যোগেদি মূলধনৰ যোগান বৃদ্ধি কৰে। ইয়াৰ লগতে অসমত বিদেশী খেদা আন্দোলনৰ গইনা লৈ হোৱা সামাজিক বিৱৰ্ত্তনেও শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ আমূল পৰিবৰ্তন সাধে। বিশেষকৈ পূৰ্বতে পৰিয়ালৰ মাজতে আবদ্ধ থকা এখন/দুখন তাঁতশালৰ ঠাইত বৃহৎ বৃহৎ কাৰখানাৰ যোগেদি দহখনৰ পৰা চল্লিশখন পৰ্যন্ত তাঁতশাল চলোৱা ডেকা উদ্যোগীৰ আৰ্বিভাৱ হয়। কাৰখানাৰ আৰ্বিভাৱে কুটীৰ শিল্পৰ বৈশিষ্ট্যৰ পৰিৱৰ্তন ঘটায় আৰু তাঁতশালৰ বিভিন্ন কামত পৰিয়ালৰ সদস্যাই শ্ৰমদান কৰাৰ বিপৰীতে ভাড়াতীয়া শ্ৰমিকৰ দ্বাৰা কাপোৰ উৎপাদনৰ আনুসংগিক কাম কাজ কৰাৰ নিয়ম প্ৰৱৰ্তন হয়। মূলধনৰ সহজ যোগান আৰু কৰ্ম-জ্ঞান অবিহনেই শাল পতাটো সহজ হোৱাত আশীৰ দশকৰ পৰাই হোৰাহোৰে গাওঁখনত তাঁতশালৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। সহজলভ্য মূলধনৰ জৰিয়তে কেঁচামাল ক্ৰয় কৰাটো কোনো সমস্যা নোহোৱা বাবে শিল্পটোত নতুন নতুন ডেকা উদ্যোগীও বৃদ্ধি পায়। এই বৃদ্ধিপ্ৰাপ্ত শালবোৰত প্ৰয়োজন হোৱা শিপিনী, যোগালীৰ চাহিদাও পূৰণ হয় ৰাজ্যখনৰ অনান্য প্ৰান্তৰ পৰা অহা নিবনুৱা যুৱক-যুৱতীৰ দ্বাৰা। ফলস্বৰূপে হাজাৰ হাজাৰ শিপিনী/যোগালীৰ গাওঁখনলৈ আগমন ঘটে। নতুন ডেকা উদ্যোগীচামে সূতাৰ ৰং, ফুলৰ আৰ্হি চানেকী আদিৰ পৰিৱৰ্তন ঘটাই শিল্পটোলৈ এক নৱজাগৰণ আনিবলৈ চেষ্টা চলায় আৰু কিছুদূৰলৈ তেওঁলোক সফলো হয়। এই নৱজাগৰণৰ ফলস্বৰূপে শুৱালকুছিত বিভিন্ন দোকান, পোহাৰ, আবাসিক ঘৰ আদি গঢ় লৈ উঠে আৰু শুৱালকুছিৰ অৰ্থনীতি ক্ৰমান্বয়ে জাকত জিলিকা হৈ উঠে। উদাৰবাদী অৰ্থনীতিৰ যোগেদি সৃষ্টি হোৱা মধ্যবিত্ত শ্ৰেণীৰ ক্ৰয়ক্ষমতা বৃদ্ধিয়ে পাট-মুগা কাপোৰৰ চাহিদা বৃদ্ধিত অৰিহনা যোগায়।

আমি আগেয়ে উল্লেখ কৰিছো শুৱালকুছিৰ বস্ত্ৰ উদ্যোগ অঞ্চলটোত স্থানীয়কৰণ হোৱাৰ মূখ্য কাৰণ হ'ল শিল্পটোৰ প্ৰয়োজনীয় কাম সম্বন্ধে শুৱালকুছিবাসীৰ জ্ঞান। কিন্তু যোৱা কেইটামান দশকত শিল্পটোৰ প্ৰায়ভাগ কৰ্মই মজুৰিভিত্তিক হোৱা বাবে শুৱালকুছিবাসীৰ শিল্পটোৰ কাম-কাজ সম্বন্ধে থকা একচেতিয়া অধিকাৰৰ অন্ত পৰে। গাওঁখনলৈ কাম বিচাৰি অহা প্ৰব্ৰজনকাৰীৰ কিছু অংশই শিল্পটোৰ বিভিন্ন কামৰ জ্ঞান আহৰণ কৰি পুনৰ নিজ ঠাইলৈ উভতি যোৱাৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। এইচামে নিজৰ নিজৰ ঠাইতে স্ব-আৰ্জিত জ্ঞানেৰে বস্ত্ৰ উৎপাদন আৰম্ভ কৰাত (যিহেতু কেঁচা সামগ্ৰীবোৰ টকা দিলে সহজতে পোৱা সম্ভৱ) শুৱালকুছিৰ ঘৰুৱা উদ্যোগটোলৈ অশনি সংকেত নামি আহিছে। শুৱালকুছিৰ কাপোৰ উৎপাদন ক্ষমতা, গাওঁখনৰ আওঁতাৰ বাহিৰলৈ যোৱাৰ লগতে, গাওঁখনত হৈছে প্ৰবল শ্ৰমিকৰ নাটনি। ফলত অসক্ৰিয় তাঁতশালৰ সংখ্যা গাওঁখনত দিনে দিনে বৃদ্ধি পাইছে। শ্ৰমিকৰ নাটনিয়ে শ্ৰমৰ যোগান মূল্য তীব্ৰ হাৰত বৃদ্ধি কৰিছে। তাঁতশিল্পৰ জ্ঞান ৰহিত উদ্যোগীবোৰেও সৰু-বৰ সকলো কামতে ভাড়াতীয় শ্ৰমিক নিযুক্তি দি কাম কৰিব লগা বাবে বস্ত্ৰ উৎপাদনৰ ব্যয় অতিমাত্ৰাত বাঢ়িছে। ভুতৰ ওপৰত দানহ পৰাদি শিল্পটোৰ অন্যান্য কেঁচা সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে উৎপাদকৰ আৱস্থা পানীত হাঁহ নচৰাৰ দৰে কৰিছে। বিশেষকৈ যোৱা কেইবছৰ মানৰ পৰা দীঘপাট, বাণীপাট, টছৰ, গুণা, বণক সূতা আদিৰ অভাবনীয় মূল্য বৃদ্ধিয়ে ক্ষুদ্ৰ উৎপাদকক ঢোকে ঢোকে পানী খুৱাইছে। তালিকা নং ২ ত বস্ত্ৰ উৎপাদনত কিদৰে কিছুমান কামত শ্ৰম ব্যয় বাঢ়িছে তাকে দেখুওৱা হৈছে।

তালিকা নং ২ ঃ তাঁতশিল্পৰ শ্ৰম ব্যয়

| ক্ৰমিক নং | তাঁতশালৰ বিভিন্ন কাম | পৰম্পৰাগত ভাৱে কাৰ দ্বাৰা কৰা হৈছিল | বৰ্তমান মজুৰি দি কিদৰে কৰা হয় |
|---|---|---|---|
| ১ | দীঘপাট ফুৰোৱা | মালিক | ১০০.০০ (প্ৰতি কেজিত) |
| ২ | পাট লোৱা আৰু ববীন বটা | পৰিয়ালৰ সদস্য | ৪০০.০০ (প্ৰতি কেজিত) |
| ৩ | বাতি কাৰা | মালিক/বোৱনী | ২০০.০০ (প্ৰতি বাতিত) |
| ৪ | খে ব', ৰাহ বিন্ধোৱা | পৰিয়ালৰ সদস্য আৰু বোৱনী | ২০০.০০ (প্ৰতি বাতিত) |
| ৫ | ফুল ব' গুঠা | বোৱনী | ৩০০.০০ |
| ৬ | হাৰ্নিছ গুঠা/বাতি প্ৰস্তুত কৰা | বোৱনী | ২০০.০০ |
| ৭ | কাৰ্ড কটা ও গুঠা | মালিক/পৰিয়ালৰ লোক | ৭০.০০ (শতকৰা হিচাপত) |

উৎস ঃ কামবোৰৰ গড় মূল্য স্থানীয় ভাৱে সংগ্ৰহ কৰা হৈছে

যিকোনো উদ্যোগৰ বিকাশত সংগঠকৰ লাভ এক মূখ্য বিষয়। কিয়নো লাভৰ মাত্ৰাইহে নিৰূপণ কৰে উদ্যোগটোৰ বিকাশৰ গতি। যদিহে উদ্যোগটোৰ লাভ প্ৰদানৃ ক্ষমতা বেছি, নিঃসন্দেহে সেই উদ্যোগলৈ সংগঠকৰ আকৰ্ষণ বৃদ্ধি পায়। যোৱা কেইটামান দশকত শুৱালকুছিৰ ৰেছম উদ্যোগতো লাভৰ মাত্ৰা বৃদ্ধি পোৱা বাবেহে নতুন নতুন উদ্যোগী ব্যৱসায়টোলৈ ধাবমান হৈছে। সাধাৰণ দৃষ্টিত কথাটো যথেষ্ট যোগাত্মক। কিন্তু অলপ দকৈ চালে দেখা যায় হ্ৰস্বকালত এয়া যোগাত্মক যেন লাগিলেও কুটীৰ উদ্যোগৰ বাবে দীৰ্ঘকালত এয়া হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই অধিক। এই ক্ষেত্ৰত আমি কুটীৰ উদ্যোগত উৎপাদিত বস্তুৰ লাভ প্ৰদানৰ ক্ষমতা সম্পৰ্কে অলপ জুকিয়াই চোৱা দৰকাৰ। শুৱালকুছিৰ পৰিয়াল কেন্দ্ৰিক বস্ত্ৰ উৎপাদন ব্যৱসায়ত, আগতে বেছিভাগ কামেই যিহেতু পৰিয়ালৰ লোকে অথবা মালিক, বোৱনীয়ে নিজে আগভাগ লৈ কৰিছিল, (তালিকা নং ২ ৰ তৃতীয় স্তম্ভত উল্লেখ কৰাৰ দৰে) সেয়েহে এই কামবোৰত কোনো ব্যয় নহৈছিল। শালৰ সীমিত ব্যৱসায়ত মালিক-শিপিনীৰ সুসম্পৰ্কই "যোগালী" ৰ প্ৰয়োজনীয়তা নোহোৱা কৰি ৰাখিছিল। প্ৰত্যেকজন শালৰ মালিকে অথবা তেখেতৰ পৰিয়াল বৰ্গই কুটীৰ শিল্পটোৰ খুতি-নাতি কামবোৰ নিজে জনা বাবে, কাপোৰৰ উৎপাদন ব্যয় বহুখিনি হ্ৰাস হৈছিল। ফলত উৎপাদিত বস্ত্ৰ যিটো দামত বিক্ৰী কৰা হৈছিল, তাতেই সংগঠকৰ লাভ (অৰ্থনীতিৰ তত্বমতে মুঠ লাভ) হৈছিল। কিন্তু তাত্বিক সূত্ৰ মতে সেয়া মুঠ লাভহে, প্ৰকৃত লাভ নিৰূপণ কৰা হয় মুঠ লাভৰ পৰা সংগঠকৰ শ্ৰম ব্যয়, ঘৰ ভাড়া, যোগালীৰ খৰছ, মুলধনৰ বাবদ দিবলগীয়া সূদ, অনান্য কিছুমান খৰছ বাদ দি। দেখা যায় আমাৰ কাপোৰ উৎপাদনৰ খৰছত কেৱল সূতা, গুণা-বনক, বোৱনীৰ মজুৰি আদি ধৰা হয় বাবেহে লাভৰ (মুঠ) পৰিমান সন্তোষজনক। কিন্তু প্ৰকৃত লাভৰ দৃষ্টিভংগীৰে এই লাভ অতি নগন্য। পৰম্পৰাগত ভাৱে তাঁতশাল এখনৰ "বাতি" প্ৰস্তুত কৰাৰ বাবে হোৱা ব্যয়বোৰ, (তালিকা নং ২ ৰ চতুৰ্থ স্তম্ভত উল্লেখ কৰাৰ দৰে) ঘৰ-ভাড়া, বোৱনীৰ খাদ্যৰ নামত কৰা ব্যয়, বিজুলী খৰছ আদি মুঠ ব্যয়ত ধৰা নহয় বাবেহে আমাৰ উৎপাদকৰ লাভৰ অংক বেছি হয়। দৰাচলতে, কাপোৰ উৎপাদনত প্ৰকৃত লাভ কিমান হয় বা হৈছে সেয়াহে ব্যৱসায়িক দৃষ্টিকোনৰ পৰা গুৰুত্বপূৰ্ণ। দীৰ্ঘকালত উদ্যোগ এটা তিষ্টি থকাটো প্ৰকৃততে শুদ্ধ বা প্ৰকৃত লাভ (net profit) ৰ ওপৰতহে নিৰ্ভৰশীল। কুটীৰ শিল্পত প্ৰকৃত লাভ নিৰ্দ্ধাৰণ নোহোৱাটো এক কথা, কিন্তু দহ/বাৰখন শাল থকা উদ্যোগীয়ে যেতিয়া সকলো কাম "মজুৰি"ৰ বিনিময়ত কৰে তেনে অৱস্থাত

কাপোৰ উৎপাদন ব্যয়ৰ সূত্ৰ তত্বগত নহলে, বেছিদিন বজাৰত তিষ্টি থকা অসম্ভৱ। আমাৰ বোধেৰে গাওঁখনৰ বেছিভাগ মালিকে শালৰ ব্যৱসায়ত "লাল বাতি" জ্বলাৰ বাবে শ্ৰমিকৰ অভাৱকে মুখ্য কাৰণ বুলি অভিহিত কৰে যদিও, ওপৰত উল্লেখ কৰা দিশ সমূহো ফঁহিয়াই চোৱাৰ দিন সমাগত। তেতিয়াহে সমস্যাবোৰ লাঘব হোৱাৰ পথ প্ৰশস্ত হব।

এতিয়া আহো বস্ত্ৰ উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচা মালৰ মূল্যবৃদ্ধিৰ প্ৰসংগলৈ। যোৱা শতিকাৰ আশীৰ দশকৰ পৰা শুৱালকুছি তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলবোৰত তাঁতশালৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলস্বৰূপে আগতে থকা কেঁচামালৰ স্থিৰ চাহিদাৰ বিপৰীতে নতুন চাহিদাৰ সৃষ্টি হয় আৰু সেই অনুপাতে যোগান বৃদ্ধি নোহোৱাত সামগ্ৰীবোৰৰ মূল্যবৃদ্ধি হয়। তালিকা নং-১ ত স্পষ্টভাৱে কোন কোন ৰাজ্যৰ পৰা সূতা, ববীন, গুণা, বনক আদি আমদানি কৰা হয় সেয়া প্ৰকাশ কৰা হৈছে। সেই ৰাজ্য সমূহতো এই সামগ্ৰীবোৰৰ দাম যোৱা কেইবছৰ মানত যথেষ্ট বৃদ্ধি পাইছে। সাধাৰণতে দেখা যায় এই সামগ্ৰীবোৰে শুৱালকুছিৰ খুচুৰা বজাৰ পোৱালৈ প্ৰকৃত মূল্যতকৈ আকৌ বিশৰ পৰা চল্লিশ শতাংশ পৰ্যন্ত বৃদ্ধি পায়। দেখদেখকৈ এনেদৰে হোৱা বৃদ্ধিয়ে স্থানীয় উৎপাদকক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছে।

তালিকা নং ৩ ত উদাহৰণ হিচাপে কেইপদমান সামগ্ৰীৰ বিগত চাৰিটা দশকত হোৱা দামৰ পৰিবৰ্তন দেখুওৱা হৈছে। ইয়াৰ উপৰিও তাঁতশালত ব্যৱহৃত অন্যান্য বিভিন্ন সামগ্ৰী যেনে মাকো, ৰাহ, মহুৰা, ববীন, শালৰ চৌকাঠ, শ্লে, নৰজ, যঁতৰ আদিৰ দামো বহুলাংশে বাঢ়িছে। এই সামগ্ৰীবোৰৰ মূল্যবৃদ্ধিয়ে তাঁতশাল এখন নতুনকৈ স্থাপন কৰাৰ প্ৰাৰম্ভিক বিনিয়োগ যথেষ্ট বৃদ্ধি কৰিছে। ২০০১-০২ চনৰ এক তথ্যমতে সেই সময়ত শাল এখন আৰম্ভ গড় প্ৰাথমিক ব্যয় আছিল প্ৰায় ন হাজাৰ (বোৱনীক দিব লগীয়া আগধন এই হিচাপত ধৰা হোৱা নাই)। কিন্তু কেঁচা সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধিয়ে যোৱা দহবছৰত শালৰ প্ৰাৰম্ভিক বিনিয়োগ প্ৰায় এশ শতাংশতকৈও অধিক বৃদ্ধি কৰিছে। ইয়াৰ ওপৰিও ক্ৰমাৎ দুৰ্লভ হৈ পৰা বোৱনীক দিব লগা উচ্চহাৰৰ আগধন শালৰ বিনিয়োগ ব্যয় প্ৰায় পচিশ ত্ৰিশ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। তাঁতশাল এখনত উৎপাদন কৰিবলৈ এনেদৰে কৰিবলগীয়া বিনিয়োগে সাধাৰণ মানুহক নতুনকৈ শাল এখন আৰম্ভ কৰাৰ হাবিয়াসকে হ্ৰাস কৰিছে। এনে কথাই ক্ষুদ্ৰ ব্যৱসায়ীক যথেষ্ট বাধা আৰোপ কৰিছে। অৱশ্যে মূলধনেৰে পৰিপূৰ্ণ বৃহৎ উদ্যোগৰ বাবে এয়া কোনো ডাঙৰ সমস্যা নহয়। তেওঁলোকে সঞ্চিত মূলধনেৰে সহজতে বিনিয়োগ কৰিব পাৰে বাবে, যোৱা দশকটোত ঘৰতে থকা এখন দুখন শালৰ গৰাকী যি দৰে ক্ষতিগ্ৰস্ত হৈছে তাৰ বিপৰীতে বৃহৎ মাত্ৰাৰ উৎপাদকে তেনেদৰে ক্ষতিগ্ৰস্ত হোৱা নাই। কিন্তু ইয়ে শিল্পটোৰ "কুটীৰ ধৰ্মী" বৈশিষ্ট্যত আঘাত হানিছে। অপ্ৰিয় হলেও সত্য যে শুৱালকুছিৰ ঘৰে ঘৰে থকা তাঁতশালৰ ঠাইত এতিয়া কেৱল ডাঙৰ ডাঙৰ কাৰখানাত শালবোৰ থুপিত (Concentrate) হৈছে। ইয়ে গাওঁখনৰ এক বৃহৎ সংখ্যক শ্ৰমিকক উৎপাদনৰ মুখ্য কামৰ পৰা বিতাড়িত কৰি গৌণ কামবোৰত নিয়োজিত হবলৈ বাধ্য কৰিছে।

| ক্ৰমিক নং | কেঁচা সামগ্ৰী | ১৯৮০ | ১৯৯০ | ২০০০ | ২০১২ |
|---|---|---|---|---|---|
| ১ | দীঘ পাট (প্ৰতি কেজি) | ৪০০.০০ | ১০০০.০০ | ১৮০০.০০ | ৩২০০.০০ |
| ২ | বাণী পাট (প্ৰতি কেজি) | ৩০০.০০ | ৯০০.০০ | ১৩০০.০০ | ৩০০০.০০ |
| ৩ | বাণী পাট (ৰঙীন) (প্ৰতি কেজি) | — | ১৪০০.০০ | ১৯০০.০০ | ৩৭০০.০০ |
| ৪ | টচৰ সূতা (প্ৰতি কেজি) | — | ৮০০.০০ | ১৪০০.০০ | ৪৩০০.০০ |
| ৫ | মুগা সূতা (প্ৰতি কেজি) | ৮০০.০০ | ৩৫০০.০০ | ৫০০০.০০ | ১২০০০.০০ |
| ৬ | বনক সূতা (প্ৰতি কেজি) | — | ১০০.০০ | ১২০.০০ | ৪২০.০০ |
| ৭ | গুণা (২৫০ গ্ৰাম) | ১০০০.০০ | ১৩০০.০০ | ১৫০০.০০ | ২৫০০.০০ |
| ৮ | ডুবি মেছিন (এক গোট) | ৫০০.০০ | ৭৫০.০০ | ১২০০.০০ | ২২০০.০০ |

* গুণাৰ দামৰ ক্ষেত্ৰত, দাম একে ৰাখিবলৈ মানদণ্ডৰ বহু পৰিবৰ্তন কৰা দেখা যায়। তথ্যত একে মানদণ্ডৰ বজাৰ মূল্য ধৰা হৈছে।

সামগ্ৰীবোৰ বহু মান বিশিষ্ট যদিও কেৱল গড় মূল্য ধৰা হৈছে।

পাট-মূগাৰ কাপোৰ উৎপাদনত কেঁচা সামগ্ৰীৰ দাম বৃদ্ধিৰ প্ৰক্ৰিয়া সম্বন্ধে প্ৰত্যক্ষভাৱে অৱগত হৈছিলো যোৱা ২০১০ চনৰ ডিচেম্বৰ মাহত জালুকবাৰী সমষ্টিৰ মাননীয় বিধায়কদেৱে কৰ্ণাটকৰ বাংগালোৰলৈ পাটৰ দাম বৃদ্ধিৰ কাৰণ সম্বন্ধে চৰজমিন তদন্ত কৰিবলৈ পঠোৱা দলত আমিও এজন প্ৰতিনিধি হিচাপে যোৱাৰ সুযোগ পোৱা বাবে। উল্লেখযোগ্য যে ভাৰতৰ মুঠ পাট সূতা উৎপাদনৰ প্ৰায় আশী শতাংশই উৎপাদন হয় কৰ্ণাটকত। আনহাতে তামিলনাড়ু, অন্ধ্ৰপ্ৰদেশ আদিৰ উৎপাদনো বাংগালোৰৰ ৰেছম বিনিময় কেন্দ্ৰ (Silk Exchange Centre)ৰ যোগেদিয়েই বিক্ৰী হয় বাবে কৰ্ণাটক পাট সূতাৰ এক সংগঠিত বৃহৎ বজাৰ। তাৎপৰ্যপূৰ্ণ কথা যে কৰ্ণাটকৰ পলুপালক সকলে পলুপোহাৰ পৰা শুৱালকুছিৰ শিপিনীয়ে পাট সূতা ক্ৰয় কৰালৈ প্ৰায় ন টা স্তৰ অতিক্ৰম কৰিবলগীয়া হয়। এই স্তৰ সমূহ হ'ল

তালিকা নং ৪ ঃ পাটসূতা উৎপাদনৰ বিভিন্ন পৰ্যায়

| স্তৰ | কাৰ্য |
|---|---|
| প্ৰথম স্তৰ ঃ | পলু পালকৰ পলু পোহা |
| দ্বিতীয় স্তৰ ঃ | নিলামৰ যোগেদি পলু বিক্ৰী |
| তৃতীয় স্তৰ ঃ | সূতা কাটোতাৰ পলু ক্ৰয় |
| চতুৰ্থ স্তৰ ঃ | ৰেছম সূতা বিনিময় কেন্দ্ৰত সূতা বিক্ৰী |
| পঞ্চম স্তৰ ঃ | সূতা ব্যৱসায়ীৰ সূতা সংগ্ৰহ |
| ষষ্ঠ স্তৰ ঃ | সূতা পকোৱা/ব্ৰেণ্ড সৃষ্টি |
| সপ্তম স্তৰ ঃ | বিতৰকলৈ সূতা প্ৰেৰণ |
| অষ্টম স্তৰ ঃ | শুৱালকুছিৰ ব্যৱসায়ীলৈ প্ৰেৰণ |
| নৱম স্তৰ ঃ | শিপিনীৰ সূতা ক্ৰয় |

উৎস ঃ পাট আৰু টচৰ উদ্যোগ অধ্যয়নৰ প্ৰতিবেদন, জানুৱাৰী ২০১১

পাট সূতা উৎপাদনৰ বিভিন্ন পৰ্যায়ৰ পৰাই বুজিব পাৰি সূতাৰ দাম কেনেদৰে ভিন্ন স্তৰত মধ্যভোগীৰ দ্বাৰা বৰ্ধিত হৈছে। পাট সূতাৰ দৰে টচৰ সূতাৰ ক্ষেত্ৰটো মূল্যবৃদ্ধিৰ একে কথাই ঠাইৰ নাটনিৰ বাবে আমি সবিশেষ সন্নিবিষ্ট নকৰিলো। শিল্পটোত লগা সৰু বৰ সমগ্ৰ উদ্যোগটোলৈ বিপদ নামি এই বিপদবোৰ আঁতৰোৱাৰ বাবে লবলগীয়া ব্যৱস্থাবো কৰাৰ আগতে আমি আন এটা কথা অৱতাৰণা কৰি লব বি

বৰ্তমান সময়ত মূল্যবৃদ্ধি (কেঁচা সামগ্ৰী অথবা চূড়া দুয়োবিধৰে) এক আঁওকান কৰিব নোৱাৰা সমস্যা। মুক্ত অ নামত চলা বিশ্বায়নৰ চেকুৰা ঘোৰাই ভাৰতৰ আৰ্থিক ব্য পৰিৱৰ্তন সাধিছে। কৃষিখণ্ডৰ বিপৰীতে উদ্যোগ আৰু সে দ্ৰুত বিকাশে, দেশৰ কৰ্মশক্তিৰ এক বুজন অংশ কৃষিখ অন্যখণ্ডলৈ ধাবমান কৰিছে। ইয়াৰ ফলত স্বাভাৱিকতে উদ্যোগৰ কেঁচামাল কৃষিখণ্ড/প্ৰাথমিক খণ্ডৰ ওপৰত নি সেই উদ্যোগবোৰৰ কেঁচামালৰ মূল্যবৃদ্ধি তুলনামূলকভা উদ্যোগ বোৰতকৈ (যিবোৰৰ কেঁচামাল কৃষি খণ্ডৰ নিৰ্ভৰশীল নহব) বেছি হৈছে। আমাৰ ৰেছম উদ্যোগটোৰ একে ঘটনাই ঘটিছে। এই শিল্পৰ প্ৰায়ভাগ উপাদানেই কৃ পৰা অহা বাবে, যোৱা বছৰবোৰত মূল্যবৃদ্ধিৰ প্ৰকোপ চলিছে উদ্যোগ হিচাপে বস্ত্ৰশিল্পই এই মূল্যবৃদ্ধিৰ লগত কেনেদৰে ত ৰক্ষা কৰে তাৰ ওপৰতে নিৰ্ভৰ কৰিব উদ্যোগটোৰ ভৱিষ্যত

বজাৰৰ অন্যান্য উদ্যোগলৈ চালে দেখা যায়- সামগ্ৰী/উপাদানৰ দাম বৃদ্ধিৰ লগে লগে উৎপাদিত চূড়ান্ত সাম দাম বৃদ্ধি হয়। বিভিন্ন কাৰণত বিগত কিছু বছৰত খাদ্যস ইলেকট্ৰনিক সামগ্ৰী, ঔষধ, পৰিবহন ব্যয়, ইন্ধন, ৰেডিমেড কা আচবাব, বিলাসী সামগ্ৰী, লোহা, বালি, চিমেণ্ট আদি স সামগ্ৰীৰে অকল্পনীয়ভাৱে দাম বৃদ্ধি পাইছে। নিঃসন্দেহে উপ যোগান মূল্য বৃদ্ধি হোৱা বাবে, সেই উপাদানেৰে প্ৰস্তুত কৰা সামগ্ৰী বোৰৰো দাম বৃদ্ধি পাইছে। কিন্তু আচৰিত ভাৱে, শুৱাল বস্ত্ৰ উৎপাদনত যিটো হাৰত উপাদান বোৰৰ ব্যয় বাঢ়িছে, ঠিক হাৰতে কাপোৰৰ দাম থলুৱা উৎপাদনকাৰীৰ বাবে বৃদ্ধি পোৱা উৎপাদনৰ বজাৰ ব্যৱস্থাত থকা আসোঁৱাহৰ বাবেই উৎপাদনকা উৎপাদনৰ সঠিক মূল্য পোৱা নাই অথবা সেই মূল্য দাবী ক দ্বিধাবোধ কৰি আছে। কেঁচাসামগ্ৰীৰ দাম বৃদ্ধিৰ লগতে শিল্প প্ৰায়ভাগ কামেই শ্ৰমিকৰ জড়িয়তে বৰ্তমান কৰা হয় বাবে চ মেখেলা, শাৰী আদিৰ উৎপাদন ব্যয় বাঢ়িছে। কিন্তু আচৰিত যে আজি দহবছৰ আগতে সাধাৰণ "পাটৰ যোৱা" যি দা

ব্যৱসায়ীক/বিক্ৰীদাৰক/মধ্যভোগীক যোগান ধৰা হৈছিল উৎপাদন ব্যয়ৰ প্ৰবল বৃদ্ধি স্বত্বেও সেই "যোৰা"ৰ যোগানমূল্য সেই হাৰত বঢ়া নাই। কিন্তু সেই একেটা "যোৰা" ৰে খুচুৰা মূল্য (অৰ্থাৎ দোকানত) বহুখিনি বৃদ্ধি পাইছে। অৰ্থাৎ মূল্যবৃদ্ধিৰ সুফল লাভ কৰিছে গ্ৰাহকক প্ৰকৃততে যোগান ধৰা বিক্ৰীদাৰে, "যোৰা" টোৰ প্ৰকৃত উৎপাদকে নহয়। সেয়েহে বিগত বছৰবোৰত কাপোৰ উৎপাদনকাৰীতকৈ কাপোৰ ব্যৱসায়ীৰ (trader) সংখ্যা দিনে দিনে বৃদ্ধি পাইছে। এই প্ৰসংগত বিস্তৃত আলোচনা কৰাৰ যথেষ্ট থল আছে। থাওকতে কব পাৰি - কেঁচামালৰ দামবৃদ্ধিৰ লগে লগে যদিও কাপোৰ উৎপাদকে উৎপাদিত সামগ্ৰীৰো দাম বৃদ্ধি কৰিব পাৰিলেহেঁতেন অথবা মধ্যভোগীক দাম দিবলৈ বাধ্য কৰিলেহেঁতেন, তেনেহ'লে উদ্যোগটোৰ এই নিশকতীয়া অৱস্থাৰ সৃষ্টি নহলহেতেন। তাৰোপৰি ভেজাল কেঁচামাল ব্যৱহাৰ কৰাৰ ফলত (উৎপাদন ব্যয় হ্ৰাস কৰিবলৈ) শিল্পটোৰ সুনাম নষ্ট নহলহেঁতেন। অৱশ্যে যোৰা দুবছৰমানত ঘটনাৰ গুৰুত্ব বুজি দুই এগৰাকী উৎপাদকে সামগ্ৰীৰ যোগানমূল্য বঢ়াইছে যদিও এই দিশত সংগঠিত ভাবে এতিয়াও যথেষ্ট কৰণীয় আছে।

কেঁচা সামগ্ৰীৰ দাম হ্ৰাস কৰাৰ ক্ষেত্ৰত লবলগীয়া পদক্ষেপবোৰলৈ। প্ৰকৃতাৰ্থত, শুৱালকুছিত ব্যৱহৃত কেঁচামালবোৰ যিহেতু বেছিভাগেই বহিঃৰাজ্যৰ পৰা আহে সেই ক্ষেত্ৰত ব্যক্তিগত ভাবে উৎপাদক এজনে বিশেষ উদ্যোগ লোৱাৰ সুযোগ নাই। কিন্তু গাওঁখনত থকা সমবায়, অনুষ্ঠান আৰু চৰকাৰী বিভাগ বোৰে এই দিশত যথেষ্ট কৰাৰ পথ খোলা আছে। দেখা গৈছে- শিল্পটোত ব্যৱহৃত প্ৰায়ভাগ সামগ্ৰীয়েই বহিঃৰাজ্যৰ পৰা অসমলৈ অহাৰ ক্ষেত্ৰত বহুকেইটা মধ্যভোগীয় স্তৰ অতিক্ৰম কৰিবলগীয়া হয়। ফলত বহিঃৰাজ্যৰ বজাৰত থকা দাম আৰু শুৱালকুছিৰ বজাৰ দামৰ এক বৃহৎ তফাৎ পৰিলক্ষিত হয়। পাটসূতাৰ ক্ষেত্ৰত তালিকা নং ৪ ত উল্লেখ কৰাৰ দৰে যদি উৎপাদনৰ চতুৰ্থ স্তৰতে অৰ্থাৎ ৰেছম সূতা বিনিময় কেন্দ্ৰতে অসম চৰকাৰে সূতা ক্ৰয় কৰি স্থানীয় ভাবে পকোৱাৰ ব্যৱস্থা কৰে আৰু শুৱালকুছিৰ বজাৰত যোগান ধৰে তেনেহ'লে পাটসূতাৰ দাম বহুখিনি হ্ৰাস পাব। এই সম্পৰ্কত অসম চৰকাৰৰ ৰেছম বিভাগ, হস্ততাঁত আৰু বস্ত্ৰ বিভাগ, কেন্দ্ৰীয় চিল্ক বোৰ্ড আদিয়ে বিহিত ব্যৱস্থা লোৱাৰ অৱকাশ আছে। গাওঁখনত থকা বহুকেইখন পুৰণি সমবায়েও এই ক্ষেত্ৰত আগভাগ ললে থলুৱা উৎপাদকে যথেষ্ট সকাহ পাব। বৰ্তমানৰ মুক্ত অৰ্থনীতিৰ আমদানিৰ সূচল নিয়ম কানুনৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰেও চীন, থাইলেণ্ড, উজবেকিস্তান আদি ঠাইৰ পৰা কম দামতে সূতা সংগ্ৰহ কৰাৰ চিন্তা-চৰ্চা কৰিব পাৰে। পাটসূতাৰ দৰে গুণা, বনক সূতা, টচৰ, ডুবি মেছিন, ৰাহ আদিৰ ক্ষেত্ৰটো চৰকাৰৰ সংশিষ্ট বিভাগবোৰে হাত উজান দিলে কেঁচা সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰকোপ হ্ৰাস হব। আনহাতে গাওঁখনৰ কিছু উদ্যোগীক যদি মহুৰা, নটা, নৰজ, ববীন, উঘা, ডুবিমেছিন আদি উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ তথা আৰ্থিক সহায় চৰকাৰী পক্ষই আগবঢ়াই তেনেহলেও নতুন নতুন সংস্থাপনৰ বাট মুকলি হ'ব আৰু স্থানীয় ভাৱে উৎপাদন কৰা বাবে উৎপাদন ব্যয় হ্ৰাস হব। (এই সামগ্ৰী বোৰ উৎপাদন কৰিবলৈ প্ৰয়োজনীয় বাঁহ, বেঁত, কাঠ অসমত যথেষ্ট আছে)। ভাৰতৰ পাঞ্জাব, হাৰিয়ানা আদি ঠাইৰ খেতিয়কে কৃষি শস্যৰ বাবে ৰেহাই মূল্যত সাৰ, শস্যৰ বীজ, বিজুলী পোৱাৰ ব্যৱস্থা আছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰেও শুৱালকুছিৰ থলুৱা শিপিনীৰ বাবে ৰেহাই মূল্যত বিজুলী, কেঁচামাল আদি যোগান ধৰিব পাৰে। ৰাজসাহায্য অবিহনে থলুৱা উদ্যোগ জীয়াই থকা বৰ্তমানৰ আৰ্থিক গাথনিত অসম্ভৱ। সেয়েহে ৰাজসাহায্য দাবী কৰা শুৱালকুছিবাসীৰ বাবে অতি প্ৰয়োজনীয়। সময়ৰ আহ্বানক নেওচা দিলে এই শিল্প ধৰি ৰখাটো কাৰোৰে বাবে সম্ভৱপৰ নহব। আশাকৰো শুৱালকুছিৰ এই বাপতি সাহোন শিল্পটোৰ অৱনমিত যাত্ৰা ৰোধ কৰিবলৈ ৰাইজ আৰু চৰকাৰ দুয়োটা পক্ষই মাৰবান্ধি সংগঠিত ৰূপত ওলাই আহিব। ✦✦

********